**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-07-2025
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***
**--------------------**

১। ব্ৰিকছ্‌ ৰাষ্ট্ৰগোষ্ঠীয়ে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক কঠোৰ ভাষাৰে গৰিহণা দিছে আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বিৰুদ্ধে তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰিছে।

২। অপাৰেচন সিন্দূৰৰ সময়ত প্ৰতিৰক্ষা ক্ষেত্ৰত প্ৰদৰ্শন কৰা ভাৰতৰ সামৰ্থ্যই গোলকীয় পৰ্যায়ত দেশখনৰ প্ৰতিৰক্ষা সা-সঁজুলিৰ চাহিদা বৃদ্ধি কৰিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

৩। ব্ৰিকছ্‌ ৰাষ্ট্ৰগোষ্ঠীৰ আমেৰিকা বিৰোধী নীতিক সমৰ্থন কৰা দেশসমূহৰ ওপৰত মাৰ্কিন প্ৰশাসনে ১০ শতাংশ অতিৰিক্ত শুল্ক আৰোপ কৰিব বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সতৰ্ক কৰি দিছে।

৪। ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধত দিয়া চৰম বলিদানৰ বাবে কেপ্টেইন বিক্ৰম বাট্ৰালৈ আজি মৃত্যুবাৰ্ষিকীত দেশবাসীয়ে গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। **আৰু**

৫। উইম্বলডন টেনিছ প্ৰতিযোগিতাত আজি ভাৰতৰ যুকি ভামব্ৰি আৰু তেওঁ আমেৰিকাৰ সহযোগী ৰবাৰ্ট গালোৱেৰ যুটি পুৰুষৰ ডাবলছৰ তৃতীয় ৰাউণ্ডত অৱতীৰ্ণ হ'ব।

০০০০০০

ব্ৰিকছ্‌ ৰাষ্ট্ৰগোষ্ঠীয়ে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক কঠোৰ ভাষাৰে গৰিহণা দিছে আৰু সকলো প্ৰকাৰৰ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰিছে। ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত চলি থকা ব্ৰিকছ্‌ শীৰ্ষ সন্মিলনত এই ৰাষ্ট্ৰগোষ্ঠীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত দ্বৈত স্থিতি প্ৰদৰ্শন নকৰিবলৈ সকলোকে আহ্বান জনায়।

ইপিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই শীৰ্ষ সন্মিলনত শান্তি আৰু নিৰাপত্তা শীৰ্ষক এখন সত্ৰত ভাষণ দি কয় যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপৰ ক্ষেত্ৰত কোনো সংকোচ কৰা উচিত নহয়। তেওঁ কয় যে সন্ত্ৰাসবাদৰ বলি হোৱা লোক আৰু সন্ত্ৰাসবাদৰ সমৰ্থকসকলক একে শাৰীতে থ'ব নোৱাৰি। সন্ত্ৰাসবাদ এতিয়া মানৱতাৰ আটাইতকৈ গভীৰ প্ৰত্যাহ্বান হিচাপে থিয় দিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে ২২ এপ্ৰিলত পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণে ভাৰতৰ আত্মা, পৰিচয় আৰু মৰ্যাদাক প্ৰত্যক্ষভাৱে আক্ৰমণ কৰিলে।

০০০০০০

কোনো ৰাষ্ট্ৰই নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে অৰ্থনৈতিক বিকাশ আৰু ৰাষ্ট্ৰীয় সুৰক্ষাৰ বাবে অতি গুৰুত্বপূৰ্ণ খনিজ সম্পদ, প্ৰযুক্তি আৰু যোগান শৃংখলাক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা উচিত নহয়। ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত অনুষ্ঠিত ব্ৰিকছ্‌ শীৰ্ষ সন্মিলনৰ এখন সত্ৰত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে প্ৰকাশ

কৰে। তেওঁ কয় যে, গুৰুত্বপূৰ্ণ খনিজ আৰু প্ৰযুক্তিৰ মাজত সহযোগিতাৰ বাবে নিৰাপত্তা আৰু যোগান শৃংখলাক পৰিৱৰ্তিত সময়ৰ সৈতে খাপ খোৱাকৈ গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্ব দিয়াটো প্ৰয়োজন। তেওঁ লগতে কয় যে ইয়াৰ বাবে প্ৰয়োজন সাপেক্ষে সিদ্ধান্ত গ্ৰহণ, দীৰ্ঘম্যাদী বিত্তীয় বহনক্ষমতা আৰু ব্ৰিকছ্ নিউ ডেভেলপমেণ্ট বেংক প্ৰকল্পত ক্ৰেডিট ৰেটিং বৰ্তাই ৰখাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া উচিত। একৈশ শতিকাত জনসাধাৰণৰ সুস্বাস্থ্য আৰু প্ৰগতি প্ৰযুক্তিৰ ওপৰত বিশেষকৈ কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত নিৰ্ভৰশীল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে কৃত্ৰিম বুদ্ধিমত্তাই এফালে দৈনন্দিন জীৱন ধাৰণ উন্নত কৰাৰ বিপৰীতে আনফালে এই প্ৰযুক্তিয়ে বিপদাশংকাও বৃদ্ধি কৰিছে।

০০০০০০

অপাৰেচন সিন্দূৰৰ সময়ত থলুৱাভাৱে নিৰ্মিত প্ৰতিৰক্ষা সা-সঁজুলিৰ ব্যৱহাৰ আৰু প্ৰতিৰক্ষা ক্ষেত্ৰত প্ৰদৰ্শন কৰা ভাৰতৰ সামৰ্থ্যই গোলকীয় পৰ্যায়ত দেশখনৰ প্ৰতিৰক্ষা সা-সঁজুলিসমূহৰ চাহিদা বৃদ্ধি কৰিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি প্ৰতিৰক্ষা গাণনিক বিভাগৰ নিয়ন্ত্ৰকসকলৰ সন্মিলনত দিয়া ভাষণত শ্ৰীসিঙে এই কথা উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতৰ প্ৰতিৰক্ষা উদ্যোগসমূহৰ অপাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশে প্ৰতিৰক্ষা খণ্ডত স্বাৱলম্বিতা অৰ্জন কৰিবলৈ প্ৰায় সমৰ্থ হৈছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীসিঙে কয় যে পূৰ্বে বিদেশৰ পৰা আমদানি কৰা প্ৰায়বোৰ প্ৰতিৰক্ষা সঁজুলিয়ে এতিয়া ভাৰতত উৎপাদন কৰাটো সম্ভৱ হৈ উঠিছে। তেওঁ সম্প্ৰতি ভাৰতৰ প্ৰতিৰক্ষা অৰ্থনীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে অস্ত্ৰ-শস্ত্ৰ উৎপাদনৰ চাহিদা বৃদ্ধি হোৱাৰ ফলত এই খণ্ডত বিনিয়োগ বৃদ্ধি হৈছে। সম্প্ৰতি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপীয় ৰাষ্ট্ৰসমূহৰ লগতে বিশ্বৰ আগশাৰীৰ দেশসমূহে প্ৰতিৰক্ষাৰ ক্ষেত্ৰত ব্যয় বৃদ্ধি কৰিছে। ভাৰতকে ধৰি বিশ্বৰ সকলো ৰাষ্ট্ৰই নিজৰ অস্ত্ৰভাণ্ডাৰ বৃদ্ধি কৰাৰ বাবে ব্যৱস্থা লৈছে। ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ বাবে নিৰ্ধাৰিত বাজেট সৰ্বাধিক বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে গৱেষণা উন্নয়ন আৰু উদ্ভাৱনৰ বাবে আঁচনিত অনুমোদন জনাইছে। ১ লাখ কোটি টকা নিধিৰ এই আঁচনিয়ে উন্নত প্ৰযুক্তিৰ সুবিধা আহৰণৰ বাবে বিভিন্ন প্ৰকল্প ৰূপায়ণৰ ব্যৱস্থা কৰিব আৰু ইয়াৰ ভিতৰত প্ৰতিৰক্ষা খণ্ডক অগ্ৰাধিকাৰ দিয়া হৈছে।

০০০০০০

ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ আমেৰিকা বিৰোধী নীতিক সমৰ্থন কৰা দেশসমূহৰ ওপৰত মাৰ্কিন প্ৰশাসনে ১০ শতাংশ অতিৰিক্ত শুল্ক আৰোপ কৰিব বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সতৰ্ক কৰি দিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই নীতিৰ ক্ষেত্ৰত কোনো দেশক ৰেহাই দিয়া নহ'ব। ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীয়ে শেহতীয়াকৈ আমেৰিকাৰ বৰ্ধিত শুল্ক আৰোপ নীতিক গৰিহণা দিয়াৰ পাছতে ট্ৰাম্পে সামাজিক মাধ্যমৰ জৰিয়তে এই কথা প্ৰকাশ কৰে। ব্ৰাজিলত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনত এই ৰাষ্ট্ৰগোষ্ঠীয়ে লগতে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ ইৰাণ আক্ৰমণকো গৰিহণা দিয়ে। ইপিনে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ অতিৰিক্ত শুল্ক আৰোপ পত্ৰ তথা বিশ্বৰ বিভিন্ন দেশৰ সৈতে থকা চুক্তিসমূহ আজিৰে পৰা দেশসমূহলৈ প্ৰেৰণ কৰা হৈছে বুলি ট্ৰাম্পে ঘোষণা কৰে।

০০০০০০

১৯৯৯ চনৰ কাৰ্গিল যুদ্ধত দিয়া চৰম বলিদানৰ বাবে কেপ্তেইন বিক্ৰম বাট্ৰালৈ আজি মৃত্যুবাৰ্ষিকীত দেশবাসীয়ে গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কেপ্তেইন বাট্ৰাৰ বলিদানৰ কথা

সোঁৱৰণ কৰি সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত কয় যে তেওঁৰ সাহস আৰু ত্যাগ ৰাষ্ট্ৰৰ সেৱাৰ ক্ষেত্ৰত এটা গৌৰৱময় নিদৰ্শন হৈ থাকিব। কাৰ্গিল যুদ্ধৰ সময়ত কেপ্তেইন বাট্ৰাই যুদ্ধৰ ক্ষেত্ৰত কৌশলগতভাৱে গুৰুত্বপূৰ্ণ এটা অংশ অধিকাৰ কৰাৰ লগতে অত্যন্ত সাহসিকতাৰে শত্ৰুপক্ষৰ চাৰিজন সেনা জোৱানক নিষ্ক্ৰীয় কৰিছিল। আন এটা অভিযানত কেপ্তেইন বাট্ৰাই কৌশলগতভাৱে অত্যন্ত গুৰুত্বপূৰ্ণ ফ'ৰ এইট ছেভেন ফাইভ অংশ অধিকাৰ কৰি অসম্ভৱকো সম্ভৱ কৰাৰ লগতে পাঁচজন শত্ৰুসেনাক নিহত কৰিছিল। কেপ্তেইন বাট্ৰাক মৰণোত্তৰভাৱে পৰমবীৰ চক্ৰ সন্মানেৰে সন্মানিত কৰা হৈছিল।

ooooo

বিহাৰত আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ভোটদাতাৰ তালিকাৰ বিশেষ সংশোধনী কৰিবলৈ নিৰ্বাচন আয়োগে গ্ৰহণ কৰা সিদ্ধান্তক প্ৰত্যাহ্বান জনাই দাখিল হোৱা আবেদনৰ শুনানি গ্ৰহণ কৰিবলৈ উচ্চতম ন্যায়ালয়ে সন্মতি প্ৰকাশ কৰিছে। অহা বৃহস্পতিবাৰে এই শুনানি গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে নিৰ্বাচন হ'বলগীয়া ৰাজ্যখনত ভোটদাতাৰ তালিকাৰ ব্যাপক সংশোধনীৰ বাবে নিৰ্ধাৰণ কৰা সময় আৰু পদ্ধতি সন্দৰ্ভত আপত্তি দৰ্শাই নিৰ্বাচন আয়োগৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰা হৈছিল।

oooooo

চুবুৰীয়া ৰাজ্য নাগালেণ্ডত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা বানৰ সময়ত বিদ্যুৎস্পৃষ্ট হৈ কমেও তিনিজন লোকৰ মৃত্যু হয়। ডিমাপুৰৰ কুডাগাঁৱৰ এটা জলমগ্ন আৰক্ষী আৱাসত কালি এটা ইনভাৰ্টাৰত বিদ্যুৎস্পৃষ্ট হৈ এগৰাকী মহিলাৰ মৃত্যু হয়। ৰাজ্যখনত কেইবাদিনো ধৰি হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ভালেমান অঞ্চল প্লাৱিত হৈছে আৰু বহু লোকে নিজৰ বাসগৃহ এৰি আন ঠাইত আশ্ৰয় ল'বলগীয়া হৈছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে আবদ্ধ লোকসকলক সুৰক্ষিত স্থানলৈ লৈ যোৱাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰাজ্যখনৰ ঠায়ে ঠায়ে ভূমিস্খলন আৰু কৃত্ৰিম বানৰ ফলতো সমস্যাৰ সৃষ্টি হৈছে। ২৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এচোৱা বোকাময় হৈ পৰাৰ ফলত যান-বাহনৰ চলাচলত অসুবিধাৰ সৃষ্টি হৈছে। ডিমাপুৰ বিমান বন্দৰৰ পৰা কালি সকলো বাণিজ্যিক বিমানৰ উৰণ প্ৰতিকূল বতৰৰ বাবে বাতিল কৰা হয়।

oooooo

ইজৰাইলে যোৱা নিশা পশ্চিম হোদেইদা প্ৰদেশৰ য়েমেনৰ লোহিত সাগৰৰ বন্দৰত ধাৰাবাহিক বিমান আক্ৰমণ চলায়। ইজৰাইলৰ সেনাই সামাজিক মাধ্যমত অঞ্চলটো তৎক্ষণাৎ খালী কৰাৰ বাবে সতৰ্কতাবাণী জাৰি কৰাৰ কিছু সময়ৰ পিছতে এই আক্ৰমণ সংঘটিত হয়। প্ৰত্যক্ষদৰ্শীৰ সূত্ৰ অনুসৰি হোদেইদা বন্দৰৰ উপৰি য়েমেনৰ পশ্চিম উপকূলৰ কেইবাটাও স্থানত বিস্ফোৰণ সংঘটিত হয়।

ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাটজে প্ৰকাশ কৰা মতে হুথীৰ দুৰ্গ বুলি অভিহিত হোদেইডা, আছ চালিফ আৰু ৰাছ কাটিব বিদ্যুৎ কেন্দ্ৰ ৰাছ ইছা আৰু ২০২৩ চনৰ নৱেম্বৰ মাহত হুথী বাহিনীয়ে জব্দ কৰা জাহাজ গেলাক্সি লিডাৰকে ধৰি হুথীৰ দুৰ্গ বুলি অভিহিত স্থানসমূহক এই আক্ৰমণৰ লক্ষ্য কৰি লোৱা হয়। ইজৰাইলৰ সামৰিক বাহিনীৰ সূত্ৰ অনুসৰি আক্ৰমণৰ লক্ষ্য কৰি লোৱা বন্দৰসমূহ হুথী বাহিনীয়ে অস্ত্ৰ শস্ত্ৰ সৰবৰাহৰ বাবে ব্যৱহাৰ কৰি আহিছিল।

গাজাত পেলেষ্টাইনীসকলৰ সৈতে সংহতিৰ কথা উল্লেখ কৰি হুথী বাহিনীয়ে ইজৰাইলৰ দিশে ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰি থকাৰ সময়তে ইজৰাইলে যোৱা কেইমাহমানত য়েমেনৰ গুৰুত্বপূৰ্ণ বন্দৰ আৰু আন্তঃগাঁথনিত কেইবাটাও আক্ৰমণ চলাইছে।

০০০০০০

উইম্বলডন টেনিছ প্ৰতিযোগিতাত আজি ভাৰতৰ য়ুকি ভামব্ৰি আৰু তেওঁ আমেৰিকাৰ সহযোগী ৰবাৰ্ট গালোৱেৰ যুটি পুৰুষৰ ডাবলছৰ তৃতীয় ৰাউণ্ডত অৱতীৰ্ণ হ'ব। এই প্ৰতিযোগিতাত এতিয়ালৈকে খেলি থকা ভামব্ৰি হৈছে একমাত্ৰ ভাৰতীয় খেলুৱৈ।

ইপিনে যোৱাবাৰৰ বিজয়ী কাৰ্লোছ আলকাৰেজে এখন ৰোমাঞ্চকৰ খেলত আন্দ্ৰে ৰুবলেভক হৰুৱাই উইম্বলডনৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। বিশ্বৰ চতুৰ্দশ স্থানৰ খেলুৱৈ ৰুবলেভৰ বিৰুদ্ধে আলকাৰেজে প্ৰথম ছেটত পিছ পৰি থাকে যদিও পাছত অসীম ধৈৰ্যৰ পৰিচয় দি ৬-৭, ৬-৩, ৬-৪, ৬-৪ ছেটত জয়লাভ কৰে। একেদৰে মহিলা শাখাত বিশ্বৰ শীৰ্ষস্থানৰ খেলুৱৈ আৰিনা ছাবালেংকাই এলীছে মাৰ্টিনজক পোনপটীয়া ছেটত পৰাস্ত কৰি প্ৰতিযোগিতাত নিজৰ আধিপত্য বজাই ৰাখিছে।

০০০০০০

সমাপ্ত